# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 30-04-2024
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

**- - - - - - -**

বিজেপিয়ে ৪০০ খনতকৈ অধিক আসন লাভ কৰিলে সংৰক্ষণ ব্যৱস্থাৰ অৱসান ঘটাব বুলি কংগ্ৰেছে ভুৱা প্ৰচাৰ চলোৱা বুলি বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অভিযোগ তুলিছে। গুৱাহাটীত আজি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এইদৰে অভিযোগ কৰে। শ্ৰী শ্বাহে কয় যে এই দাবী সম্পূৰ্ণ ভিত্তিহীন। তেওঁ কয় যে বিজেপিয়ে অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে সংৰক্ষণৰ পোষকতা কৰে। বিজেপিয়ে সমগ্ৰ দেশত ভাল সঁহাৰি লাভ কৰা বুলিও নেতাগৰাকীয়ে দাবী কৰে।

কৰ্ণাটকৰ হাছান সংসদীয় সমষ্টিৰ প্ৰাৰ্থী প্ৰজ্বল ৰেৱান্নাৰ অশালীন ভিডিঅ' সম্পৰ্কীয় অভিযোগ সন্দৰ্ভত বিজেপিৰ স্থিতি স্পষ্ট কৰি শ্ৰী শ্বাহে কয় যে, তেওঁৰ দলে মহিলাৰ বিৰুদ্ধে যিকোনো অপৰাধ সহ্য নকৰে আৰু বিষয়টো সন্দৰ্ভত আৰক্ষীৰ তদন্তৰ পোষকতা কৰে। মহিলাৰ বিৰুদ্ধে এনেধৰণৰ অপৰাধৰ সৈতে জড়িত ব্যক্তিক কঠোৰ শাস্তি বিহিব লাগে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

ooooo

ৰাজ্যৰ চাৰিটা সমষ্টি ক্ৰমে গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰত ৭ মে'ত লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ত ভোটগ্ৰহণ কৰা হ'ব। এই চাৰিটা সমষ্টিত বৰ্তমান বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান তীব্ৰ হৈ উঠিছে। বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকলৰ লগতে নেতা-কৰ্মীসকলে প্ৰচাৰ চলাই ভোটদাতাসকলৰ মন আকৰ্ষণৰ চেষ্টা কৰিছে।

উল্লেখযোগ্য যে, তৃতীয় পৰ্যায়ত হ'বলগীয়া নিৰ্বাচনত মুঠ ৪৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইয়াৰ ভিতৰত ৬ গৰাকী মহিলা প্ৰাৰ্থী। এই নিৰ্বাচনত মুঠ ৮১ লাখ ৪৯ হাজাৰ ৯১ গৰাকী ভোটদাতাই ভোটদান কৰিব। ভোটদাতাসকলৰ ভিতৰত ৪১ লাখ ৫৪৪ গৰাকী পুৰুষ, ৪০ লাখ ৪৮ হাজাৰ ৪৩৬ গৰাকী মহিলা ভোটাৰ আৰু ১১১ গৰাকী তৃতীয় লিংগৰ ভোটাৰ। এই ভোটদাতাসকলে ৯ হাজাৰ ৫১৬টা ভোটগ্ৰহণ কেন্দ্ৰত ভোটদান কৰিব।

বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি দুধনৈ, চমৰীয়াকে আদি কৰি বিভিন্ন স্থানত নিৰ্বাচনী প্ৰচাৰ কাৰ্যত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে চমৰীয়াৰ বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰি ৰাইজৰ সহযোগ, সঁহাৰি প্ৰত্যক্ষ কৰি উৎসাহিত হোৱা বুলি প্ৰকাশ কৰে। তেওঁ উন্নয়নৰ স্বাৰ্থত মিত্ৰজোঁটৰ প্ৰাৰ্থী বিজুলী কলিতা মেধিক ভোট দিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে গোৱালপাৰা জিলাৰ ৰংজুলীত গুৱাহাটী লোকসভা সমষ্টিৰ বিজয় সংকল্প সমাৰেশ শীৰ্ষক বিশাল নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপি নেতা সৰ্বানন্দ সোণোৱালে বাক্সাৰ থমনাত আজি কোকৰাঝাৰ লোকসভা সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ হৈ প্ৰচাৰ চলায়। সাংবাদিকৰ আগত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়

যে, জনসাধাৰণৰ সহযোগিতাই মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ জয় নিশ্চিত কৰিছে। মন্ত্ৰীগৰাকীয়ে আৰু কয় যে, কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ কাৰ্যৰ বাবে জনসাধাৰণ অতি আনন্দিত।

ইফালে, বাক্সাৰ চূণবাৰী আৰু শালবাৰীত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ময়ো কোকৰাঝাৰ লোকসভা সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী গৰাকীৰ হৈ প্ৰচাৰ কাৰ্য চলায়। মন্ত্ৰী ব্ৰহ্মই সংবাদ মাধ্যমৰ উল্লেখ কৰে যে, প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনত বিজেপি মিত্ৰজোঁটে ১০ খন আসনেই লাভ কৰিব।

বিজেপি নেতা তথা মন্ত্ৰী পীযুষ হাজৰিকা আৰু অজয় কুমাৰ ৰায়ে বিজনী বিধানসভা সমষ্টিৰ অন্তৰ্গত বিষ্ণুপুৰত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। তদুপৰি মন্ত্ৰীগৰাকীয়ে মাজৰাবাৰী আৰু পালেংবাৰীতো  দুখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

অগপ সভাপতি তথা মন্ত্ৰী অতুল বৰাই আজি ধুবুৰী লোকসভা সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী জাবেদ ইছলামৰ হৈ গোৱালপাৰা জিলাৰ গোসাঁইডুবি আৰু সোণাৰিত নিৰ্বাচনী প্ৰচাৰ চলায়।

ইফালে, অগপৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্ত আৰু বিজেপি নেতা জয়ন্ত মল্ল বৰুৱাই দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰীত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

ooooo

ৱেষ্ট ইণ্ডিছ আৰু আমেৰিকাত অনুষ্ঠিত হ'বলগীয়া আই চি চি পুৰুষৰ টি-২০ বিশ্বকাপ ২০২৪ৰ বাবে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বোৰ্ডে ভাৰতীয় ১৫ জনীয়া দলটো ঘোষণা কৰে। ৰোহিত শৰ্মাই দলটোক নেতৃত্ব দিব আৰু হাৰ্দিক পাণ্ডিয়াক উপ-অধিনায়ক হিচাপে নিযুক্তি দিয়া হৈছে। দলটোত স্থান লাভ কৰা বাকী সদস্যসকল হৈছে- যশস্বী জয়ছোৱাল, বিৰাট কোহলী, সূৰ্যকুমাৰ যাদৱ, ঋষভ পন্ট, সঞ্জু ছেমচন, শিৱম ডুবে, ৰবীন্দ্ৰ জাদেজা, অক্ষৰ পেটেল, কুলদীপ যাদৱ, য়জবেন্দ্ৰ চহল, অৰ্শ্বদীপ সিং, জছপ্ৰীত বুমৰাহ, মহম্মদ ছিৰাজ। বাছনি সমিতিয়ে ৪জন সংৰক্ষিত খেলুৱৈকো বাছনি কৰিছে। সংৰক্ষিত খেলুৱৈকেইজন হ'ল- শুভমন গিল, ৰিংকু সিং, খলিল আহমেদ আৰু আৱেছ খান। ভাৰতে বিশ্বকাপত অহা ৫ জুনত নিউয়ৰ্কত প্ৰথমখন খেল আয়াৰলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

সমাপ্ত